# 4016 - Human Development II :
## Development in Adolescence and Adulthood

**Unit-II** Cognitive, language and Moral Development

• perspectives on Cognitive Development in adolescence

(কৈশোৰকালৰ প্ৰজ্ঞাত্মক বিকাশৰ ধাৰণা)

কৈশোৰ কাল হৈছে বিকাশৰ এক সংক্ৰমণ স্বৰূপ; কিয়নো যেতিয়া লৰা-ছোৱালীৰ শৈশৱকাল শেষ হয়, তাৰ পিছতে যৌৱনকাল আৰম্ভ হয় আৰু এই সময়ৰ পৰাই কৈশোৰকাল আৰম্ভ হয়। 'কৈশোৰ' শব্দটো লেটিন শব্দ "Adolescence" পৰা আহিছে, যাৰ অৰ্থ হৈছে "বৃদ্ধি হোৱা" বা "পৰিপক্কতাৰ বাবে হোৱা বৃদ্ধি"। প্ৰত্যেক মানুহৰ জীৱনত কৈশোৰ কালটো হৈছে অতি গুৰুত্বপূৰ্ণ সময়। কাৰণ, এই সময়তে মানুহৰ শাৰীৰিক, মানসিক, সামাজিক আৰু আবেগিক দিশত বিশেষ পৰিবৰ্তন হোৱা দৃষ্টিগোচৰ হয়।

<u>কৈশোৰকালৰ প্ৰজ্ঞাত্মক বিকাশৰ ধাৰণা</u>— কৈশোৰকালত কিশোৰ-কিশোৰীসকলৰ যৌৱনপ্ৰাপ্তিয়ে প্ৰজননাত্মক বিকাশত বিশেষভাৱে প্ৰভাৱ পেলায়। এই সময়ত কিশোৰ-কিশোৰী~~সকলে নিজৰ চিন্তা~~ৰ চিন্তা বিমূৰ্ত, যুক্তিবাদী আৰু আদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত হয়। কিশোৰ-কিশোৰীসকলে নিজৰ চিন্তা, আনৰ চিন্তা আৰু অন্যলোকৰ বিষয়ে কৰা আনৰ ভাবনাবোৰৰ বুজিব পৰা হয়। কৈশোৰ কালত কিশোৰ-

কিশোৰীসকলৰ মনত যিকোনো কথাৰ কাৰণ আৰু যুক্তি দাঙি ধৰিব পৰা সামৰ্থ্যই তেওঁলোকৰ জ্ঞানাত্মক আৰু সামাজিক সচেতনতা ভাৱৰ সৃষ্টি কৰে। আনহাতে এই সময়চোৱাত কিশোৰ-কিশোৰীসকলে নিজৰ লগতে আনৰ বিষয়েও কিছুমান আদৰ্শমূলক বৈশিষ্ট্য নিৰ্বাচন কৰি লয়। উদাহৰণস্বৰূপে তেওঁলোকৰ আদৰ্শ পিতৃ-মাতৃ কেনেকুৱা হ'ব লাগে চিন্তা কৰে আৰু নিজৰ পিতৃ-মাতৃক সেই আদৰ্শৰ সৈতে জড়িত কৰি চায়। আকৌ দেখা যায় যে বিকাশৰ প্ৰথম অৱস্থাত ব্যৱহাৰ কৰা প্ৰচেষ্টা আৰু ভুল পদ্ধতিৰ বিপৰীতে কিশোৰ-কিশোৰীসকলে সমস্যা সমাধানৰ ক্ষেত্ৰত বেছি প্ৰণালীবদ্ধভাৱে আগবাঢ়ে।

মনোবিদ জিন পিয়াঁজে (Jean Piaget) প্ৰজ্ঞাত্মক বিকাশৰ ~~উপৰত~~ গৱেষণাৰ ওপৰত ভিত্তি কৰি দাঙি ধৰা মতবাদ অনুসৰি কৈশোৰ কালত কিশোৰ-কিশোৰীসকলে কোনো বিষয়বস্তু দিলে তাৰ সাৰাংশ উলিয়াব পৰা ক্ষমতাপ্ৰাপ্ত হয়। লগতে যুক্তি থকা দাৰ্শনিক তথ্যৰ প্ৰতি আকৃষ্ট হয়। তেওঁলোকৰ সন্মুখত যিকোনো সমস্যাৰ সন্মুখীন হ'লে, তাৰ সমাধানৰ পথ উলিয়াব লগা হ'লে আগতীয়াকৈ বিভিন্ন দিশ চালি-জাৰি চাই আলোচনা কৰি বিকল্প সমাধান উলিয়াবলৈ সক্ষম হয়। কৈশোৰ কালৰ শেষৰ পিনে কিশোৰ-কিশোৰীসকলৰ সম্পূৰ্ণ যুক্তি কৰা

শক্তিৰ বিকাশ হয়। আগতে প্ৰচেষ্টা আৰু ভুল পদ্ধতিৰ (Trial and Error Method) মাধ্যমেৰে শিকি লক্ষ্যত উপনীত হৈছিলে কিশোৰ-কিশোৰীসকলে চেষ্টা কৰিছিল কিন্তু এই স্তৰত বুদ্ধিৰ বিকাশ হোৱাৰ ফলত নতুন নতুন কথাৰ অন্বেষণত গৱেষণাপূৰ্ণ কামৰ প্ৰতি মনোযোগ বাঢ়িবলৈ ধৰে। পিয়াজেৰ মতবাদ অনুসৰি বয়স বঢ়াৰ লগে লগে অৰ্থাৎ এটা স্তৰৰ পৰা আন এটা স্তৰলৈ গতি কৰোঁতে প্ৰজ্ঞাৰ বা জ্ঞানবো বিকাশ হয়।

কৈশোৰ কালত কিশোৰ-কিশোৰীসকলৰ যুক্তিবাদী চিন্তাই নৈতিক বিশ্লেষণ বিকাশ হোৱাত সহায় কৰে। কিশোৰ-কিশোৰীসকলে সামাজিক নীতি-নিয়মেৰে চৰম সিদ্ধান্ত হিচাপে মানি লবলৈ অস্বীকাৰ কৰে। তেওঁলোকে বিকল্প নৈতিক ক্ৰিয়াকলাপৰ কথা চিন্তা কৰে আৰু তাৰ পিছত নিজস্ব নিয়ম-কানুন নিৰ্ধাৰণ কৰি লয়।

ইয়াৰ উপৰিও কৈশোৰ কালত কিশোৰ-কিশোৰীসকলৰ মনত আত্মকেন্দ্ৰিকতাৰ মনোভাব গঢ় লৈ উঠে। উদাহৰণস্বৰূপে চাৰ্টৰ চিত্ৰাংশৰ দাগ লগা লৈবাজনে, সকলো মানুহে তাৰ সেই দাগটো লক্ষ্য কৰি আছে বুলি ভাব লয়। মূৰত শালমাইনা ওলোৱা ছোৱালীজনীয়ে অনুভৱ কৰে যে সকলোবোৰ মানুহে তাইৰ মুখমণ্ড-

কিয়ান যোৱা সেই কথাটো ভাবি থাকে। এই কাল্পনিক দৰ্শনে কিশোৰ-কিশোৰীসকলক বেছি আত্মসচেতন কৰি তোলে। ব্যক্তিগত নীতিকথা আত্মকেন্দ্ৰিকতাৰ অংশ যাৰ কাৰণে কিশোৰ-কিশোৰী সকলে নিজকে অতুলনীয় বুলি গণ্য কৰে।